স্তনপান জীৱনৰ ভেটি

ভাৰতবৰ্ষ : বিশ্ব স্তনপান সপ্তাহ (১-৭ আগষ্ট, ২০১৮)

স্তনপান : পৰিপুষ্ট জীৱন

বিশ্ব স্তনপান সপ্তাহ, ২০১৮ ৰ লক্ষ্যসমূহ :

স্তনপান জীৱনৰ ভেটি আৰু পৰিপুষ্ট জীৱনৰ লগত কেনেকৈ জড়িত সেই বিষয়ে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰা

ৰাষ্ট্ৰীয়/ৰাজ্যিক/জিলাভিত্তিক কল্যাণকামী কৰ্মসূচী বোৰত অগ্ৰাধিকাৰ ভিত্তিক স্তনপান আৰু পৰিপূৰক খাদ্য কাৰ্য্যসূচী প্ৰণয়ন আৰু ৰূপায়নৰ অন্তৰ্ভুক্তি

স্তনপান :সুস্থ আৰু পৰিপুষ্ট জীৱনৰ ভেটি

বিশ্ব স্বাস্থ্য সংস্থা (WHO) আৰু ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশুৰ জৰুৰীকালীন পুঁজি (UNICEF) ৰ পৰামৰ্শ অনুযায়ী জন্মৰ এঘণ্টাৰ ভিতৰতে মাতৃ স্তনপান আৰম্ভ কৰা, পানী বা পানীয় অথবা অন্য আহাৰ নিদিয়াকৈ কেবল মাত্ৰ বুকুৰ গাখীৰেৰে ছয় মাহ পূৰ হোৱালৈ কেচুৱা লালন-পালন কৰা আৰু ছমাহৰ পিচত বয়স অনুযায়ী দিব লগা অইন আহাৰৰ লগতে ছমাহৰ পৰা অন্ততঃ দুবছৰীয়া হোৱালৈ অথবা তাৰ পিচতো মাকৰ বুকুৰ গাখীৰ খুৱাই থকা টো জীৱনৰ পৰিপুষ্টি আৰু সুস্বাস্থ্যৰ বাবে অপৰিহাৰ্য।

কেৱল মাত্ৰ স্তনপান কেচুৱাক খাদ্য যোগান ধৰাৰ প্ৰাকৃতিক তথা স্বাভাবিক প্ৰথা। মাকে কেচুৱাক বুকুৰ গাখীৰ খুওৱাটো মাতৃ আৰু কেচুৱাৰ সুস্বাস্থ্য, আয়ুস, পৰিপুষ্টি তথা বিকাশৰ বাবে অতি মহত্বপূৰ্ণ।

কেচুৱা কাল আৰু দুবছৰলৈ শিশুৰ সুকোমল জীৱন কেবল সংকটাকীৰ্ণয়ে নহয়, এই দুইবছৰতেই সিহতৰ মগজূ প্ৰায় সম্পূৰ্ণকৈ বিকশিত হয়। এইখিনি বয়সত স্তনপানৰ সময়ত মাতৃৰ দেহৰ স্পৰ্শ আৰু চাৱনিয়ে শিশুৰ বিকাশত সহায় কৰে। সৃষ্টিশীল আৰু গঠনমূলক বিকাশত সহায়ক হয়। এই বৃদ্ধি আৰু বিকাশেই ভৱিষ্যৎ জীৱনত শিক্ষাগ্ৰহণ, কৰ্মত পটুতা আৰু জীৱিকা অৰ্জনত সফলতা আনে। **এনেদৰেই গঢ় লয় জীৱনৰ ভেটি।**

কেচুৱা আৰু দুবছৰ বয়সলৈ শিশুক স্তনপান আৰু প্ৰয়োজনীয় গুণগত খাদ্য খুৱালে অপুষ্টি তথা মেদবহুলতা প্ৰতিৰোধ কৰে। সাধাৰণ ৰোগবোৰ প্ৰতিৰোধ কৰাৰ উপৰিও স্তনপান আৰু দুবছৰ বয়সলৈ দিয়া বয়সোপযোগী খাদ্যই শিশুসকলক ভৱিষ্যত জীৱনত বহুমুত্ৰ আৰু কৰ্কট ৰোগৰ দৰে বিপদজনক ৰোগৰ পৰাও ৰক্ষা কৰিব পাৰে। **এয়া পৰিপুষ্ট জীৱন ৰ সফলতা (খাদ্যৰ প্ৰয়োজন বৃদ্ধি, সুস্বাস্থ্য আৰু অৰ্থপূৰ্ণ জীৱনৰ বাবে)।**

বিশ্ব স্বাস্থ্য সংস্থা (WHO) আৰু ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশুৰ জৰুৰীকালীন পুঁজি (UNICEF) ৰ স্তনপান বৃদ্ধিৰ বাবে সামুহিক কৰ্মপন্থাৰ কাৰণে বিনিয়োগ বঢ়াব খোজা ধাৰণাৰ মতে "---ভাৰতবৰ্ষত যদিও ছমাহ বয়সলৈ কেবল মাত্ৰ স্তনপানেৰে লালন-পালন কৰা কেচুৱাৰ সংখ্যা ৫৫% তথাপিতো আমাৰ বৃহৎসংখ্যক জনগণ আৰু পাচ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ উচ্চহাৰৰ বাবে বছৰি পেটৰ অসুখ আৰু শ্বাসতন্ত্ৰৰ অসুখত ৯৯,৪৯৯ টি পাচ বছৰৰ তলৰ শিশুৰ মৰে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল (১) জন্মৰ এঘণ্টাৰ ভিতৰতে মাতৃ স্তনপান কৰাই, (২) একমাত্ৰ বুকুৰ গাখীৰেৰে (পানী বা পানীয় অথবা অন্য আহাৰ নিদিয়াকৈ) ছয় মাহ পূৰ হোৱালৈ কেচুৱা লালন-পালন কৰি আৰু (৩) ছমাহৰ পৰা অন্ততঃ দুবছৰ পূৰ্ণ হোৱালৈ বা তাৰ পিচতো বয়স অনুযায়ী দিব লগা অইন আহাৰৰ লগতে মাকৰ বুকুৰ গাখীৰ খুৱাই এনেবোৰ মৃত্যু ৰোধ কৰিব পাৰি। (ক) শিশু আৰু কেচুৱাৰ উচ্চ হাৰত মৃত্যু তথা (খ) শিশু কালত উপযুক্ত ভাৱে স্তনপান নকৰোৱাৰ ফলত কৰ্কট আৰু বহুমুত্ৰ ৰোগত মৃত্যু হোৱা মহিলাৰ কাৰণে দেশৰ অৰ্থনীতিত প্ৰায় ৪৭ কোটি টকাৰ ক্ষতি হয়। ইয়াৰ লগতে আছে অল্পবুদ্ধিৰ ফলত হোৱা অন্য ৪৭ কোটি টকাৰ লোকচান। এনেদৰে হোৱা ৯৪ কোটি টকাৰ ক্ষতি দেশৰ মুঠ আয়ৰ ০.৭০ শতাংশ।"

এতিয়াও -----

প্ৰতি পাচটি নৱজাতকৰ তিনিটিকে জন্মৰ এঘণ্টাৰ ভিতৰত মাতৃস্তন পান নকৰায়

প্ৰতি দুগৰাকী মাতৃৰ এগৰাকীয়ে নিজৰ কেচুৱাটিক ছমাহ বয়সলৈ কেবল নিজৰ বুকুৰ গাখীৰ খুওৱাৰ সুযোগ নেপায়

ছমাহ বা ততোধিক বয়সৰ প্ৰতি ১০টি শিশুৰ ৯টিয়ে প্ৰয়োজনীয় পৰিপূৰক খাদ্যৰ নুন্যতমখিনি আৰু স্তনপান কৰিবলৈ সুযোগ নেপায়

"বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ (the Sustainable Development Goals) ৰ সূচীত স্তনপানৰ উল্লেখ পোনপটীয়াকৈ নাই যদিওসফল স্তনপানে স্বাস্থ্য, সুৰক্ষিত খাদ্য, শিক্ষা, সম বিকাশ আৰু পৰিবেশ সবলীকৰণৰ লক্ষ্য পুৰণৰ সহায়ক হব সেয়া স্বাস্থ্যভিত্তিক প্ৰকাশনা বিলাকত ইতিমধ্যে পৰিস্ফুট হৈছে।" [লেঞ্চেট,২০১৬]

স্তনপান আৰু পৰিপূৰক খাদ্য প্ৰদানৰ সমস্যা সমূহ আতৰাবলৈ দেশৰ মহিলাক

পৰিয়াল আৰু সমাজত, কৰ্মক্ষেত্ৰত আৰু স্বাস্থ্য অনুষ্ঠান সমূহত ভাৰতবৰ্ষই কেনেকৈ সহায় কৰিছে

মহিলাই কেচুৱাক বুকুৰ গাখীৰ আৰু উপযুক্ত পৰিপূৰক আহাৰ খুওৱাত সম্মুখীন হোৱা অসুবিধাসমূহ

মাকে কেচুৱাক বুকুৰ গাখীৰ আৰু উপযুক্ত পৰিপূৰক আহাৰ খুওৱাৰ পৰিবেশ গঢ়ি তোলাৰ বহুতো অসুবিধা থাকিব পাৰে। ছমাহ বয়সলৈ কেবল মাত্ৰ বুকুৰ গাখীৰ খুৱাই ডাঙৰ দীঘল কৰাৰ অসুবিধাসমূহ গঢ় লৈ উঠে মহিলাগৰাকীৰ গৰ্ভাৱস্থা, কেচুৱা জন্মৰ দিনাখন আৰু ছয়মাহৰ ভিতৰত । একেদৰে ছমাহৰ পিচত উপযুক্ত পৰিপূৰক খাদ্য আৰু স্তনপানৰ ক্ষেত্ৰতো অসুবিধা আহিব পাৰে।

এনে অসুবিধা সমূহৰ ভিতৰত কৰ্মৰত মাতৃয়ে কৰ্মস্থানত উপযুক্ত সহাৰি নোপোৱা, স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্যকৰ্মীৰ ব্যৱহাৰিক অৰ্হতা নথকা, ঘৰত আৰু চুবুৰীত মাকগৰাকীয়ে গৰ্ভাৱস্থা আৰু কেচুৱাৰ ছমাহলৈ পাব লগা যত্নৰ সদুপদেশ নোপোৱা, ঘৰৰ লোকসকলৰ পৰা মাকগৰাকীয়ে কেচুৱাটিক নিৰাপদে আৰু নিৰ্বিঘ্নে স্তনপান কৰোৱাত ইতিবাচক সহায় নোপোৱা, জন্মৰ পিচত পলমকৈ মাতৃস্তনত দিয়া, জন্মৰ পিচতে মৌজোল, পানী আদি খুওৱাৰ প্ৰথা, অস্ত্ৰোপচাৰৰ দ্বাৰা প্ৰসব কৰোৱা মাতৃ আৰু কেচুৱাক বেলেগে ৰখাৰ প্ৰবণতা, কোনো চিকিৎসাজনিত কাৰণ নোহোৱাকৈ টেমাৰ গাখীৰ আৰম্ভ কৰা, স্তনত ঘাঁ, ফোহাঁ আদি হোৱা, মাকৰ বুকুত গাখীৰ নহব বুলি আশংকা কৰাবোৰেই প্ৰধান।

গুণগত আৰু বয়স উপযোগী পৰিপূৰক খাদ্য খুওৱাৰ সমস্যাসমূহৰ ভিতৰত কি ধৰণৰ খাদ্য, কিমান পৰিমাণত, কেনে ধৰণে খুৱাব লাগে সেই সম্বন্ধে পিতৃ-মাতৃৰ জ্ঞান নথকা, ভিন্ন ভিন্ন ধৰণৰ প্ৰয়োজনীয় খাদ্য উপযুক্ত পৰিমাণত ঘৰত নথকা ইত্যাদি।

প্ৰচলিত আচনি সমূহৰ অদূৰদৰ্শিতা আৰু অনিশ্চিত ৰূপায়ন তথা সকলোলৈকে প্ৰসাৰিত কৰিব নোৱাৰা আৰু খাদ্য সম্পৰ্কীয় ভ্ৰান্ত ধাৰণা লগতে অন্ধবিশ্বাস বোৰ দুৰ কৰিব নোৱাৰাও কিছুমান অন্তৰ্নিহিত কাৰণ।

জিলা তথা উন্নয়ন খণ্ড ভিত্তিক আচনি ৰূপায়নেৰে আৰু স্বাস্থ্য কেন্দ্ৰ তথা ৰাইজৰ সহায়ৰ দ্বাৰা অসুবিধাসমূহ যে আতৰাব পাৰি তাৰ যথেষ্ট উদাহৰণ পোৱা যায়।

ভাৰতবৰ্ষই দেশৰ মহিলাক অসুবিধা সমূহ আতৰাবলৈ কেনে ধৰণে সহায় কৰিছে

বিশ্ব স্তনপানৰ সহযোগিতাৰ মাপকাঠি, ২০১৮ ত (প্ৰকাশিত হোৱাৰ পথত) [World Breastfeeding Trends Initiative (WBT), assessment 2018 (under publication)] দেখা গৈছে যে মাকসকলে পাই অহা বাধাসমূহ আতৰোৱাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই প্ৰায় সকলোবোৰ মাপকাঠীতেই পিছ পৰি ৰৈছে। এই সমীক্ষাত দেশবিলাকৰ স্তনপান আৰু উপযুক্ত পৰিপুৰক খাদ্যৰ আচনি আৰু কৰ্মসূচী সমূহক ১০ টি মাপকাঠিৰে চোৱা হৈছে। ৰূপায়নৰ সফলতাৰ ওপৰত নিৰ্ভৰ কৰি ক্ৰমান্বয়ে তলৰ পৰা ওপৰলৈ ৰঙা, হালধীয়া, নীলা আৰু সেউজীয়া ৰঙেৰে বোলোৱা হৈছে।

এই সমীক্ষা বিশ্বৰ নানা দেশত কৰা হয় আৰু জুন মাহ, ২০১৮ চনলৈ ৯৭ খন দেশৰ ফলাফল উপলব্ধ হৈছে। সেই অনুসৰি ভাৰতবৰ্ষৰ স্থান ৭৮ । চাবলৈ গলে ২০০৫ চনত প্ৰথম আৰম্ভ কৰা এই সমীক্ষাটিত ভাৰতবৰ্ষই এতিয়াও বিশেষ উৎকৰ্ষতা দেখুওৱা নাই। সম্ভৱপৰ ১০০ নম্বৰৰ আমাৰ দেশে ২০১৫ চনত ৪৪ আৰু ২০১৮ চনত ৪৫ নম্বৰ লাভ কৰে। তুলনামূলক ভাৱে শ্ৰীলঙ্কাই ২০১৬ চনতে ৮৮ নম্বৰ পাই থৈছে।

১নং চিত্ৰমতে চালেই আমি বুজিম কিয় শ্ৰীলঙ্কা আমাতকৈ আগবাঢ়িছে। ১০ টি মাপকাঠিৰ ৬ টিতেই শ্ৰীলঙ্কা সেউজীয়া হৈছে আৰু ভাৰতবৰ্ষ এটিতো সেউজীয়া নহয়। ৩টিত ভাৰতবৰ্ষ ৰঙা চিহ্নত কিন্তু শ্ৰীলঙ্কা এটিতো নহয়। সেই কাৰণেই শ্ৰীলঙ্কাই ছমাহলৈ কেবল মাত্ৰ মাতৃ স্তন পান কৰোৱা আৰু ছমাহৰ পিচৰ পৰা মাতৃদুগ্ধ আৰু উপযুক্ত পৰিপুৰক খাদ্য প্ৰদানত আগবাঢ়ি আছে।

চিত্ৰ নং ১ : স্তনপান কৰোৱা আৰু ছমাহৰ পিচৰ পৰা মাতৃদুগ্ধ আৰু উপযুক্ত পৰিপুৰক খাদ্য প্ৰদানত ভাৰতবৰ্ষৰ অৱস্থা।

ছয়মাহলৈ কেবল মাতৃদুগ্ধ খুওৱা কেচুৱা ভাৰতবৰ্ষত ৫৪.১% আৰু শ্ৰীলঙ্কাত ৭৫.৮%

ছয়মাহ পূৰ হোৱাৰ পিচৰে পৰা পৰিপূৰক খাদ্য আৰু মাতৃদুগ্ধৰে আপডাল কৰা শিশু ভাৰতবৰ্ষত ৪২% আৰু শ্ৰীলঙ্কাত ৯১.৬%

ভাৰতবৰ্ষ আৰু ৰাজ্যসমূহৰ লক্ষ্য

২০১২ চনৰ বিশ্ব স্বাস্থ্য সংসদত মাতৃ, কেচুৱা আৰু দুবছৰৰ শিশুৰ পুষ্টিক সামৰি ছয়টি নিৰ্দিষ্ট লক্ষ্যৰে ২০২৫ চনৰ ভিতৰত সামগ্ৰিকভাৱে সম্পূৰ্ণ কৰিব পৰাকৈ প্ৰস্তাব নং ৬৫.৬ গ্ৰহণ কৰা হৈছিল। পঞ্চম লক্ষ্যত আছে কেচুৱাক ছয় মাহলৈ কেবল স্তনপান কৰাৰ সংখ্যা ২০১২ চনৰ ৩৫% ৰ পৰা ২০২৫ চনত কমেও ৫০% কৰা। বিশ্ব স্বাস্থ্য সন্থাই সেইখিনি বঢ়াবলৈ কৰিব লগা কৰ্মৰাজিৰ এক আহিলা(Tool) উদ্ভাৱন কৰি দিছে।

ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ ৪ ৰ সময়ত নিৰ্দিষ্ট কৰা ১০১ খন সম্ভাৱনাপূৰ্ণ জিলাৰ ভিতৰৰ ৯৬ খন জিলাৰ নবজাতকক এঘণ্টাৰ ভিতৰতে স্তনপান কৰোৱাৰ পৰিসংখ্যা পোৱা যায়। এই হাৰ ৭০ খন জিলাত ৫০% তকৈও কম। বাকী ২৬ খনত ৪৯.১% – ৮৯%। কোনো জিলাতে ৮৯%তকৈ অধিক নহয়।

বিশ্ব স্বাস্থ্য সন্থাৰ আহিলাৰ আধাৰত ২০২৫ চনত অন্ততঃ ৫০% কেবল মাত্ৰ মাকৰ গাখীৰেৰে ছয়মাহলৈ কেচুৱাক লালন-পালন কৰিবলৈ ৰাজ্যসমূহৰ জিলাভিত্তিক কৰিবলগীয়া বহু আছে।

চিত্ৰ নং ২ সফল স্তনপানৰ বাবে ২০২৫ চনলৈ ৰাজ্যভিত্তিক কৰিবলগীয়াখিনি (বি পি এন আই গ্ৰাফিকচ)

অসুবিধাসমূহ আতৰাবলৈ লব লগা ব্যৱস্থা

মহিলা সকলে সম্মুখীন হোৱা সমস্যাবোৰ আতৰাবলৈ ঘৰত, স্বাস্থ্য অনুষ্ঠানত আৰু কৰ্মক্ষেত্ৰত বিভিন্ন ব্যৱস্থা লব লাগিব। এই ক্ষেত্ৰত সকলোৰে কৰণীয় আছে। স্তনপান আৰু পৰিপূৰক আহাৰৰ পৰা হোৱা লাভা-লাভ, স্বাস্থ্য আৰু দেশৰ বিকাশৰ সুযোগৰ ওপৰত নিৰ্ভৰ কৰি গোলকীয় স্তনপান সংস্থাসমূহে সাৰ্থক স্তনপানৰ সুযোগ সৃষ্টিৰ বাবে কৰিব লগা খৰছ আৰু হব পৰা অৰ্থনৈতিক লাভা-লাভৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সংস্থাৰ এক গুৰুত্বপূৰ্ণ পৰামৰ্শ হ'ল নিৰ্দেশনা আৰু আচনি সমূহ ৰূপায়নত অধিক পুঁজিৰ ব্যৱস্থা কৰা।

কেন্দ্ৰীয় চৰকাৰে কি কৰিব পাৰে?

- স্তনপানৰ সমস্যাবোৰ আতৰোৱাৰ বাবে লব লগা ব্যৱস্থাবোৰৰ বাবে নিৰ্দিষ্টকৈ পুঁজি ধাৰ্য কৰা। (স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী দপ্তৰ, মহিলা আৰু শিশু উন্নয়নৰ মন্ত্ৰী দপ্তৰ, নিটি আয়োগে এক ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিব পাৰে)
- সমন্বয়ৰ বাবে স্বাস্থ্য মন্ত্ৰী দপ্তৰ আৰু মহিলা আৰু শিশু উন্নয়নৰ মন্ত্ৰী দপ্তৰ উভয়তে একোজন বিশেষ বিষয়া নিযুক্তি দিব লাগিব।
- শিশু খাদ্যসুৰক্ষা আইন, দক্ষ পৰামৰ্শ দান, চিকিৎসালয়ৰ স্তনপানৰ প্ৰতি গুৰুত্ব বৃদ্ধিৰ বাবে স্বাস্থ্য কৰ্মী, স্বাস্থ্য সহায়িকাৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধি আৰু নিয়মিত পৰ্যালোচনাৰ বাবে প্ৰতিটি নবজাতকৰ জন্মৰ বিপৰীতে নিৰ্দিষ্টকৈ ৩১৫ টকাৰ পুঁজিৰ আবণ্টন কৰা। (বিশ্ব বেঙ্ক, বিশ্ব স্বাস্থ্য সংস্থা, ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশুৰ জৰুৰীকালীন পুঁজিৰ পৰামৰ্শ মৰ্মে)
- স্তনপান আৰু পৰিপূৰক খাদ্য প্ৰদান সম্পৰ্কীয় এখনি আচনি গ্ৰহণ কৰা (প্ৰধানমন্ত্ৰীৰ স্তনপান সুৰক্ষা আৰু সম্বৰ্ধন যোজনা বুলি নামাকৰণ কৰিব পাৰি)। ৰাজ্যসমূহৰ সৈতে ৫০-৫০ অংশৰে নিৰ্দিষ্ট পৰিমাণৰ পুঁজিৰ ব্যৱস্থা কৰিব পাৰি।
- ৰাষ্ট্ৰীয় পৰিপুষ্টি সংস্থাই ছমাহে ছমাহে আচনিখনৰ অগ্ৰগতি পৰ্যালোচনা কৰিব লাগিব।
- ৰাষ্ট্ৰীয় স্তনপান আৰু পৰিপূৰক খাদ্য প্ৰদান কৰ্মসূচীৰ কৰ্ণধাৰ সমিতিয়ে ৰাজ্যৰ স্তনপান আৰু পৰিপূৰক খাদ্য প্ৰদান আচনি সমূহ নিয়মিয়াকৈ নিৰীক্ষণ কৰাৰ উপৰিও ছমাহে ছমাহে পৰ্যালোচনা কৰিব লাগিব।

ৰাজ্য চৰকাৰে কি কৰিব পাৰে?

- সংশ্লিষ্ট আচনি ৰূপায়নৰ পূৰ্ব অনুমান আৰু পৰ্যালোচনাৰ কাৰণে ৰাজ্যিক পৰিষদ গঠন কৰা।
- শিশু খাদ্য সুৰক্ষা আইনখন বলবৎকৰণৰ কাৰণে আচনি প্ৰস্তুতকৰণ আৰু আইনখনৰ ২১ (গ) ধাৰাৰ অধীনত বিষয়াবৰ্গ নিয়োগ কৰা।
- প্ৰসূতিকালীন সুৰক্ষা আইন, ২০১৭ আৰু শিশু খাদ্য সুৰক্ষা আইন সঠিক ভাৱে বলবৎ কৰা। ৰাইজৰ মাজত আইন দুখন সম্পৰ্কত সজাগতা সৃষ্টি কৰা।
- প্ৰতিখন চৰকাৰী/বেচৰকাৰী প্ৰসূতি চিকিৎসালয়ত সঠিক ভাৱে'মা' [*Mothers' Absolute Affection (MAA)*] আচনি আৰু 'সাৰ্থক স্তনপানৰ ১০ টি কৰ্মবিধি'ৰ ৰূপায়ন।
- স্বাস্থ্য অনুষ্ঠান বোৰত 'স্তনপান সহায়ক পৰামৰ্শদাত্ৰী' নিয়োগ কৰা।
- উন্নয়ন খণ্ড ভিত্তিক উন্নত সেৱাৰে সামূহিক সহায়ক গোট আৰু দক্ষতাপূৰ্ণ পৰামৰ্শদানৰ ব্যৱস্থা কৰা।

- স্বাস্থ্য অনুষ্ঠান বোৰলৈ নিৰ্দিষ্ট চিকিৎসাকেন্দ্ৰিক কাৰণ অবিহনে টেমাৰ গাখীৰ ব্যৱহাৰ নকৰাৰ জাননী জাৰি কৰণ। এই সমূহ কাম নিয়াৰিকৈ আগুৱাই নিবলৈ চোৱা-চিতা কৰাৰ বাবে পূৰ্ণকালীন বিষয়া নিয়োগ কৰা।

জিলা প্ৰশাসন

- ৰাজ্যিক আচনিৰ অনুৰূপ জিলাভিত্তিক সমস্যাসমূহ আতৰাবলৈ প্ৰয়োজনীয় নিৰ্দিষ্ট আচনি কৰা।
- স্তনপান আৰু পৰিপূৰক আহাৰ প্ৰদানৰ পৰামৰ্শৰ ব্যৱস্থা কৰিবলৈ 'ললিতপুৰ আচনি' বা 'গোলাঘাট আচনি'ৰ লেখীয়া জিলাভিত্তিক কৰ্মসূচী যুগুত কৰা।
- আচনি ৰূপায়ন আৰু ফলাফল নিয়মিয়াকৈ পৰ্যালোচনা কৰা।
- জিলা স্বাস্থ্য বিভাগে নিয়মিয়াকৈ শিশু খাদ্য সুৰক্ষা আইন বলবৎ আৰু পৰ্যালোচনা কৰা আৰু আইন ভঙ্গকাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা।

সামাজিক অনুষ্ঠান

- স্থানীয় সমস্যা সমূহৰ বিশ্লেষণ আৰু আচনিৰ কিবা আসোৱাহ তথা অসম্পূৰ্ণতা আছে নেকি নিৰীক্ষণ কৰা।
- ৰাইজৰ মাজত সজাগতা অনা।
- সমস্যাসমূহ আতৰোৱাত চৰকাৰক হাতে কামে সহায় কৰা।
- আচনি প্ৰণয়ন কৰোতা সকলক, ৰূপায়ন কৰোতা সকলক আৰু প্ৰচাৰ মাধ্যমক লগ ধৰি সমস্যাসমূহ আতৰোৱাৰ পথ লোৱা।

স্বাস্থ্য অনুষ্ঠান আৰু স্বাস্থ্য বিশেষজ্ঞসকল

- গৰ্ভাৱস্থাৰ পৰা দুবছৰীয়া শিশুৰ মাতৃ সকলক পৰামৰ্শ দিব পৰাকৈ 'স্তনপানৰ পৰামৰ্শদাতা' নিযুক্তি দিয়া আৰু প্ৰশিক্ষিত কৰা।
- চিকিৎসালয়ত চিকিৎসাকেন্দ্ৰিক কাৰণ অবিহনে টেমাৰ গাখীৰ ব্যৱহাৰ নকৰা।
- শিশুৰ কৃত্ৰিম খাদ্য প্ৰস্তুতকাৰী আৰু তেনে ধৰণৰ কোনো অনুষ্ঠানৰ পৰা কোনো উৎকোচ/উপঢৌকন নোলোৱা।

পৰিয়াল

- ঘৰত স্তনপানত গুৰুত্ব দিয়া আৰু মাক গৰাকীক সহায় কৰা।
- প্ৰয়োজনীয় সেৱা-পৰামৰ্শসমূহ স্বাস্থ্য তথা অন্য অনুষ্ঠানৰ পৰা দাবী কৰা।

নিয়োগকৰ্তা

- সকলো নিয়োগকাৰীয়ে প্ৰসূতি সুৰক্ষা আইন, ২০১৭ সম্পূৰ্ণভাৱে বলবৎ কৰা আৰু ক্ৰেছ তথা স্তনৰ গাখীৰ নিষ্কাশিত কৰি ৰখাৰ সুবিধা কৰা।

IMS Act 1992 and Amendment Act 2003

The Maternity Benefit Act 2017

MAA Mothers' Absolute Affection एक संकल्प

NITI Aayog Nourishing India NATIONAL NUTRITION STRATEGY, GOVERNMENT OF INDIA.

NATIONAL NUTRITION COUNCIL

POSHAN Abhiyaan PM's Overarching Scheme for Holistic Nourishment सही पोषण - देश रोशन

About APCN

Association for Promotion of Child Nutrition (APCN) is a nonprofit organization established in the state of Assam, with the objective of improving child nutrition status in the state, thereby reducing Infant &Under Five mortality, morbidity associated with nutritional status and improving the quality of child health. APCN continues to work for promotion, support and protection of breastfeeding & complementary feeding through education/orientation/ awareness programs for health professionals/ media persons/ opinion leaders/ community and para health personnel on nutrition and health.

APCN ***does not accept funds or any support from the companies manufacturingbaby foods, feeding bottles or infant feeding related equipments and does notassociate with organizations having conflicts of Interest.***

এপিচিএন ৰ বিষয়ে

এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন (এপিচিএন), অসমএটি লাভ নিবিচৰা সংগঠন। এপিচিএন, অসম ৰাজ্যখনত শিশুৰ সুস্বাস্থ্য আৰু গুণগত বিকাশৰ আৰু পৰিপুষ্টিৰ লগত সম্বন্ধ থকা কেচুৱা তল্লা পাচ বছৰৰ তলৰ শিশুৰ ৰোগ তথা মৃত্যু হ্ৰাস কৰাত অৰিহণা যোগোৱাৰ লক্ষ্যৰে প্ৰতিষ্ঠিত। স্বাস্থ্য কৰ্মী, জনসাধাৰণ, স্থানীয় নেতা তথা প্ৰচাৰ মাধ্যমৰ মাজত স্তনপান আৰু পৰিপূৰক খাদ্যৰ প্ৰসাৰ, সহায় আৰু সুৰক্ষাৰ কাৰণে শিক্ষা সমল, প্ৰশিক্ষণ, সজাগতা অভিযান চলাই আহিছে।

এপিচিএন এই শিশু খাদ্য, গাখীৰ খুওৱা বটল আৰু কেচুৱাক খুৱাবলৈ সজুলি প্ৰস্তুত কৰা কোম্পানীসমূহৰ পৰা কোনো সহায় গ্ৰহণ নকৰে আৰু স্তনপান আৰু পৰিপূৰক আহাৰ সম্বন্ধীয় নীতিৰ পৰিপন্থী কাম কৰা সংস্থা লগত কেতিয়াও সহযোগ নকৰে।

bpni putting child nutrition at the forefront of social change | IBFAN defending breastfeeding | WABA

Breastfeeding Promotion Network of India (BPNI)

WBTi Global Secretariat Office

bpni@bpni.org

http://www.bpni.org

@bpniindia

@bpni.org

https://www.youtube.com/user/bpniindia

বিপিএনআই সম্পৰ্কে

বিপিএনআই এক ২৬ বছৰীয়া স্বতন্ত্ৰ, লাভ নিবিচৰা, ৰাষ্ট্ৰীয় সংস্থা। ই কেচুৱা আৰু শিশুৰ স্তনপান আৰু সঠিক পৰিপূৰক আহাৰৰ সুৰক্ষা, প্ৰচলন আৰু সহায়ক সংস্থা। ওকালতি, সামাজিক গ্ৰহণযোগ্যতা বৃদ্ধি, তথ্য আদান প্ৰদান, শিক্ষা, গবেষণা, প্ৰশিক্ষণ আৰু নিকায় সমূহে আইএমএচ আইন মানি চলিছেনে লক্ষ্য কৰি বিপিএনআইয়ে কাম কৰি আহিছে। ইণ্টাৰনেচনেল বেবী ফুড একচন নেটওৱৰ্ক [***International Baby Food ActionNetwork (IBFAN)***] এচিয়া মহাদেশৰ আঞ্চলিক সমন্বয়ৰক্ষী কাৰ্যালয়। বিপিএনআই যে ওৱৰ্ল্ড ব্ৰেষ্টফিদিং ট্ৰেণ্ডস ইনিচিয়েটিভৰ [***WorldBreastfeeding Trends Initiative (WBT)***] আচনিৰ গোলোকীয় সচিব কাৰ্যালয় হিচবেও কাম কৰে।

বিপিএনআইৰ নীতি

বিপিএনআই যে শিশু খাদ্য, গাখীৰ খুওৱা বটল আৰু কেচুৱাক খুৱাবলৈ সজুলি প্ৰস্তুত কৰা কোম্পানীসমূহৰ পৰা কোনো পুঁজি বা অইন সাহাৰ্য্য গ্ৰহণ নকৰে। বিপিএনআইৰ ঘোষিত নীতিৰ পৰিপন্থী কাম কৰা সংস্থা লগত কেতিৱও সহযোগ নকৰে।

কৃতজ্ঞতা

চুইদিছ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট কোঅপাৰেচন এজেঞ্চি [***Swedish International Development Cooperation Agency (Sida)***]ৰ সহযোগত এই ক্ৰমণিকাখনি বিপিএনআই/ইবফান-এচিয়াই [***Breastfeeding Promotion Networkof India (BPNI)/ International Baby Food Action Network (IBFAN)-Asia***] প্ৰস্তুত কৰি উলিয়াইছে। ৱাবা (***WABA***)ৰ বিশ্ব স্তনপান সপ্তাহ, ২০১৮ৰ বাবে প্ৰস্তুত কৰা ক্ৰমণিকাৰ তথ্য ব্যৱহাৰ কৰি এইখন সজোৱা হৈছে।

ৰচনা : ড° অৰুণ গুপ্ত, ড° নিলিমা ঠাকুৰ।

সম্পাদনা : ড০ জে পি দধিচ, ড০ শোভা সুৰী, শ্ৰীমতী নুপুৰ বিদলা।

পুণৰীক্ষণ : ড০ অনিতা গুপ্তা, ড০ ভাৱনা ধিংৰা, শ্ৰীমতী নিৰ্মলা চেল্ভাম, ড০ ৰীতা গুপ্তা।

আৰ্হি প্ৰস্তুত : অমিত ডাহিয়া।

অসমীয়া ভাৱানুবাদ: এচোচিয়েচন ফৰ প্ৰমোচন অব চাইল্ড নিউট্ৰিচন (এপিচিএন), অসম।

যোগাযোগৰ ঠিকনা :

গৃহ ২, হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয়ৰ সমীপত,
দীনেশ ওঝা পথ, ভঙাগড়, গুৱাহাটী-৭৮১০০৫।
ইমেইল আই ডি :apcnassam@gmail.com

Association for Promotion of Child Nutrition

Local address for contact :

House no. 2 near Hindustani Kendriya Vidyalaya, Dinesh Ojha Road, Bhangagarh, Guwahati – 781005.

Email ID :apcnassam@gmail.com